COMPLIANCE ADVISOR OMBUDSMAN

OFFICE OF THE COMPLIANCE ADVISOR/OMBUDSMAN 2121
PENNSYLVANIA AVENUE, NW • WASHINGTON, DC 20433, USA
TELEPHONE +1 202-458-1973 • FACSIMILE +1 202-522-7400
cao @worldbankgroup. org

ইস্তাহাৰ

**ভাৰতৰ এমালগেমেটেড প্লান্টেচন প্ৰাইভেট লিমিটেডত (Amalgamated Plantations Private Limited, APPL) IFC এ কৰা নিৱেশ সম্বন্ধীয় বিষয়ত CAOৰ অনুসন্ধান**

৭ নৱেম্বৰ, ২০১৬-সন্মতি উপদেষ্টা ন্যায়পালৰ কাৰ্য্যলয়ে(CAO) ভাৰতৰ নৰ্থ-ইষ্টত ভাৰতৰ এমালগেমেটড প্লান্টেচন প্ৰাভেট লিমিটেডত (Amalgamated Plantations Private Limited, APPL) আন্তৰাষ্টীয় বিত্ত নিগমৰ(International Finance Corporation, IFC) নিৱেশ সম্বন্ধীয় বিষয়ত কৰা অনুসন্ধানৰ ৰিপৰ্ট মুকলি কৰে। APPLই ভাৰতৰ ভিতৰত দ্বিতীয় সৰ্ববৃহত চাহ উত্পাদক আৰু সৰবৰাহকাৰী সংস্থা। অসম আৰু পশ্চিমবংগত মুঠ ২৫ খন চাহ বাগিছাত ৩০,০০০ কৰ্মচাৰীক নিযুক্ত কৰিছে।

IFC ইকুইটি নিৱেশ এনে ৰুপত কৰাৰ পৰিকল্পনা কৰা হৈছে, যাতে বাগানসমূহত কৰ্মচাৰীসকলক বহন কৰিব পৰা ক্ষমতা থাকে। কৰ্মচাৰীসকলে APPL শ্বেয়াৰ কিনি ইয়াৰ অংশদাৰীত্ব ল'ব পাৰে। নিৱেশৰ নিয়ম অনুসৰি, IFC এইয়া নিশ্চিত কৰিব লাগিব যে, APPL এ IFC ৰ পৰিৱেশ আৰু সামাজিক (E&S) বহন ক্ষমতাৰ ওপৰত থকা প্ৰদৰ্শক মানদণ্ডৰ নিয়ম অনুসৰি কাম কৰিব।

এই অনুসন্ধানত এইয়াও চোৱা যাব যে, APPLত কৰ্মৰত কৰ্মচাৰীসকলৰ জীৱন-প্ৰণালী তথা কৰ্মৰ বাতাবৰণৰ ওপৰত IFC কিমান গুৰুত্ব দিছে। তদুপৰি ২০০৯ আৰু ২০১০ ত হোৱা সুৰক্ষা সম্বন্ধীয় ঘটনাটিৰ প্ৰতি আৰু কৰ্মচাৰীৰ শ্বেয়াৰৰ অংশদাৰীত্বৰ ওপৰত পৰামৰ্শ দিয়াৰ ব্যৱস্থাৰ ওপৰত IFC কিমান চিন্তিত আৰু মনোযোগ দিছে, সেইয়া লক্ষণীয় হ'ব।

যদিও এইয়া পোৱা গৈছে যে, APPL ৰ গতিশীল উন্নয়নত IFC ৰ ইকুইটি নিৱেশৰ বৰঙণি আছে, CAO এ IFCৰ মূল্যায়ন সম্বন্ধীয় বিষয়ত কিছুমান অনুজ্ঞাসূচক দিশ পৰিলক্ষিত কৰিছে। তথা পৰিৱেশ আৰু সামাজিক (E&S) বহন ক্ষমতাজনিত বিষয়ত বহুত বিপদমূলক ব্যৱস্থা পোৱা গৈছে।

CAO এ এইয়াও অনুসন্ধানত পাইছে যে, কৰ্মচাৰীসকলৰ বিপদাপন্ন অৱস্থিতি আৰু APPL এ তাৰ বাবে যোগান ধৰিব লগীয়া প্ৰাথমিক প্ৰয়োজনসমূহৰ ক্ষেত্ৰত IFCৰ পৰিৱেশ আৰু সামাজিক (E&S) বহন ক্ষমতাজনিত বিষয়ত পূৰ্ববৰ্তী আৰু পৰবৰ্তী নিৱেশৰ মূল্যাংকনত কোনো সমিল নাই। IFCৰ পূৰ্ববৰ্তী নিৱেশৰ মূল্যাংকনত থকা ত্ৰূটিসমূহৰ বাবে অপ্ৰয়োজনীয় ভাৱে প্ৰশমনৰ ব্যৱস্থাসমূহ লোৱা হ'ল আৰু প্ৰকৃত বিপদসংকুল ক্ষেত্ৰসমূহ চিহ্নিত কৰা নহ'ল। বিশ্লেষণৰ সময়ত CAO এইয়া জানিবলৈ সক্ষম হৈছে যে, IFC এ নিজেও প্ৰদৰ্শকমূলক মানদণ্ড ন্যায় পালন কৰাৰ নিশ্চিয়তা দিছিল। ফলস্বৰুপে, অভিযোগকাৰীসকলে দিয়া পৰিৱেশ আৰু সামাজিক ন্যায় সম্বন্ধীয় বিষয়সমূহ উল্লেখই কৰা নহ'ল।

CAO এ অনুসন্ধানত IFCৰ মূল্যাংকণত বিভিন্নধৰণৰ অনুজ্ঞামূলক দিশ প্ৰদৰ্শন কৰিছে, বাগানত জীৱন-প্ৰণালী আৰু কৰ্ম-প্ৰণালী দুয়োটাৰে ক্ষেত্ৰত অনুজ্ঞামূলক কাৰ্য্য যেনে- নিষিদ্ধ কিট-নাশকৰ ব্যৱহাৰ, মুক্তভাৱে তাৰ ব্যৱহাৰ, সুৰক্ষা সম্বন্ধীয় বিষয়ত আলোচনা আৰু পৰামৰ্শ ইত্যাদি সম্বন্ধীয়ৰ ক্ষেত্ৰত কিছু ক্ৰুটি পাইছে। (তলত উল্লেখ কৰা হৈছে)

IFC এ CAO ৰ ৰিপৰ্টৰ ওপৰত জনসাধাৰণৰ প্ৰতিক্ৰিয়া জনাইছে। CAO এ অনুসন্ধানৰ পিছত প্ৰকাশ পোৱা ক্ৰূটিসমূহৰ ওপৰত IFC কেনেদৰে কাৰ্য্যপন্থা হাতত ল'ব তাৰ ওপৰতো নজৰ ৰাখিব। আৰু এবছৰৰ ভিতৰত উপদেষ্টামূলক পত্ৰ জাৰি কৰিব।

www.cao-ombudsman.org এই ৱেবচাইদত CAO অনুসন্ধানমূলক ৰিপৰ্ট আৰু IFC ৰ প্ৰতিক্ৰিয়া সম্বন্ধে সৱিশেষ জানিব পাৰিব।

Contact in Washington, DC:
Emily Horgan
Email: ehorgan@worldbankgroup.org; Tel: +1 202-473-8353

---

CAO ৰ বিষয়ে:

CAO হ'ল বিশ্ব বেংক সংস্থাৰ সদস্য, IFCৰ আৰু বহুপাক্ষিক নিৱেশ গেৰান্টি, *Multilateral Investment Guarantee Agency (MIGA),* সংস্থাৰ এক স্বাধীন জবাবদাহী তন্ত্ৰ। CAOএ IFC আৰু MIGA বিভিন্ন প্ৰকল্পৰ কৰ্মক্ষেত্ৰত কৰ্মচাৰীয়ে পৰিৱেশ আৰু সামাজিক ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহক সঠিক ৰুপত আৰু সত্যতাৰে দাঙি ধৰিবলৈ বাধ্য। CAO এ বিশ্ব বেংক সংস্থাৰ সভাপতিক ৰিপৰ্ট দিব লাগে। CAO এ বাহিৰাগত বিষেশজ্ঞৰ সহায়ত IFC ৰ কাৰ্য্যৰ ওপৰত

অনুসন্ধান কৰিছিল আৰু পাইছিল যে, IFC ৰ ক্লায়েণ্ট আৰু তেওঁলোকৰ ব্যাৱসায়িক কাৰ্য্যকলাপত অনুজ্ঞাসূচক দিশ আছে।

---

CAO ৰ ৰিপৰ্টৰ তথ্যসমূহ

E আৰু S (Environment and Social Risk review) মূল্যাংকনত IFC এ মনোযোগেৰে কাম কৰিছিল নে

APPL ত IFC ৰ নিৱেশ, গতিশীল ধনাত্মক উন্নয়নৰ ফল প্ৰাপ্তিৰ বাবে এক প্ৰত্যাহ্বানমূলক কাৰ্য্য।

এনে ক্ষেত্ৰত IFC এ ২০০৬ বহনক্ষমতা নীতি(পেৰা ১৩) অনুসৰি প্ৰয়োজনীয় পৰিৱেশ আৰু সামাজিক ন্যায় সম্বন্ধীয় বিষয়ত বা পৰিৱেশ আৰু সমাজৰ বাবে বিপদসংকূল ক্ষেত্ৰসমূহ নিৰীক্ষণ কৰিবলৈ কোনো ধৰণৰ পূৰ্ববৰ্তী বিশ্লেষণ নকৰিলে।

CAO চিনাক্ত কৰা কিছুমান ত্ৰুটিসমূহ হ'ল-(a) অঞ্চলটিত চাহবাগান সমূহত বহুদিনৰ পৰা চলি আহি থকা বা সন্মুখীণ হৈ থকা সমস্যাসমূহৰ বিষয়ে কোনো উল্লেখ নকৰিলে। (b) চাহ বাগানসমূহত জীৱন-প্ৰণালী আৰু কৰ্ম-প্ৰণালীৰ বিশ্লেষণ সঠিক ৰুপত নহ'ল। (c) ক্লায়েণ্ট সমূহে প্ৰদান কৰা পৰিৱেশ আৰু সমাজৰ বাবে বিপদসংকূল ক্ষেত্ৰসমূহ নিৰীক্ষণ সম্পূৰ্ণ ৰুপে নকৰিলে। (d) কৰ্মচাৰী আৰু তেওঁলোকৰ প্ৰতিনিধিৰ লগত পৰিৱেশ আৰু সমাজৰ বাবে বিপদসংকূল ক্ষেত্ৰসমূহৰ বিষয়ে সঠিকভাৱে আলোচনা নকৰিলে।

গুৰুত্বপূৰ্ণ ভাৱে IFCৰ পৰিৱেশ আৰু সামাজিক পৰিৱেশ আৰু সামাজিক (E&S) বহন ক্ষমতাজনিত বিষয়ত ন্যায় সম্বন্ধীয় মূল্যাংকণত ইয়াৰ ক্লায়েণ্টসমূহৰ ক্ষমতা আৰু ব্যৱসায়িক মূলক স্বাৰ্থত কিমানদূৰলৈ সমস্যাসমূহ নিৱাৰণ কৰাত সমৰ্থ হ'ব, সেইয়া ভালদৰে মূল্যাংকন কৰা নহ'ল।

IFC এ ভাৱি ল'লে যে, নিৱেশত যি কম পৰিমাণত পৰিৱেশ আৰু সমাজৰ বাবে বিপদসংকূল ক্ষেত্ৰসমূহ আছে, সেইয়া সুকলমে প্ৰশমন ব্যৱস্থাৰে সমাধান কৰিব পাৰিব। (B শাখাৰ বাবে প্ৰয়োজনীয় ক্ষেত্ৰসমূহ)

পৰিৱেশ আৰু সামাজিক একচন প্লান (ESAP), অপ্ৰয়োজনীয় ভাৱে দিঘলীয়া কৰা হ'ল, কিন্তু বিপদসংকুল ক্ষেত্ৰসমূহ উল্লেখ কৰা নহ'ল।

ফলস্বৰুপে, IFC এ প্ৰদৰ্শক মানদণ্ডৰ বাবে প্ৰয়োজনীয় কাৰ্য্যসমূহ পূৰাব নোৱাৰিলে।

IFC এ পৰিৱেশ আৰু সামাজিক মূল্যাংকনৰ ক্ষেত্ৰত মনোযোগেৰে কাৰ্য্য কৰিছিলনে

ESRP ৰ বহনক্ষমতা নীতি অনুসৰি IFCৰ নিৱেশত APPL এ প্ৰয়োজনীয় সাপেক্ষে সফল হ'ব নোৱাৰিলে।

প্ৰথমতে, নিৱেশ চুক্তিত পৰিৱেশ আৰু সামাজিক একচন প্লান (ESAP) ত থকা আৰু ক্লায়েণ্টৰ লগত হোৱা সংবিতৰণৰ চুক্তিসমূহ উল্লেখ নকৰিলে। সেইয়া পিছৰ পৰ্য্যায়ত, ৰাসায়নিক দ্ৰব্যৰ সংৰক্ষণ আৰু ব্যৱহাৰ সম্বন্ধীয় প্ৰয়োজনীয়তাৰ বিষয়ে আছিল। CAO এইয়াও পাইছে যে, ESRPৰ চুক্তিঅনুসৰি

IFC এ পৰিৱেশ আৰু সামাজিক মূল্যাংকনৰ কৰ্মচাৰীসকল সংবিতৰণৰ চুক্তিসমূহৰ লগত জড়িত নহয়।

দ্বিতীয়তে, IFCৰ সাধাৰণ বিশ্লেষণৰ তথ্য অনুসৰি ESRPৰ চুক্তি অনুসৰি প্ৰদৰ্শক মানদণ্ডৰ বাবে ক্লায়েণ্টৰ ন্যায় সম্বন্ধীয় তথ্যসমূহৰ বিষয়ে IFC সম্পূৰ্ণৰুপে জ্ঞাত নহয়।
যেতিয়া IFC এ ন্যায়ৰ ক্ষেত্ৰত বহুত অন্তৰায় পালে, তেতিয়াও IFC এ এইয়া নিশ্চিত নহয় যে, সেইয়া PS1 ৰ ৰিচৰ্চ একচন প্লানলৈ পৰিৱৰ্তন কৰা হ'ব। ফলস্বৰুপে, পৰিৱেশ আৰু সামাজিক মূল্যাংকনৰ অভিযোগ সমূহ গুৰুত্ব দিয়া নহ'ল।

অভিযোগকাৰীসকলৰ বিভিন্ন বিষয়সমূহত পৰিৱেশ আৰু সামাজিক মূল্যাংকনৰ দিশসমূহ সমাধান কৰিবলৈ IFC কিমান আগ্ৰহ আছিল আৰু CAO দিয়া IFC অৱজ্ঞামূলক ৰিপৰ্টত বৰঙণি যোগোৱা কাৰকসমূহ হ'ল:

a. ক্লায়েণ্টৰ চাহবাগানত কৰ্মচাৰীসকলৰ জীৱন-প্ৰণালী;

নৰ্থ-ইষ্টৰ চাহ-বাগনত থকা কৰ্মচাৰীসকলৰ জীৱন-প্ৰণালীৰ অৱস্থা সৰ্বজনবিদিত, কিন্তু IFC এ ৰাষ্ট্ৰীয় আইন অনুসৰি কৰ্মচাৰীক দিব লগা বাসস্থান আৰু অন্য সুবিধাসমূহৰ বিষয়ে ক্লায়েণ্টৰ লগত ভালদৰে ব্যৱস্থা নল'লে। একেধৰেনেৰে, IFC এ নিজেও নিশ্চিত নহয় যে PS2 মানদণ্ড অনুসৰি কৰ্মচাৰীক দিবলগীয়া সুৰক্ষিত পৰিৱেশ আৰু কৰ্মৰ বাতাৱৰণ দিয়াত সক্ষম হৈছেনে।

PS2 মানদণ্ড অনুসৰি কৰ্মচাৰীক দিবলগীয়া সুৰক্ষিত পৰিৱেশ আৰু কৰ্মৰ বাতাৱৰণ দিয়াত CAO এ পোৱা ম'তে IFC ৰ কৰ্মচাৰীৰ স্বাস্থ্যসম্বন্ধীয় তথ্য অসম্পূৰ্ণ।

নিৰীক্ষণৰ সময়ত IFC এ অভিযোগকাৰীসকলে দাঙি ধৰা বাসস্থান আৰু জীৱন-প্ৰণালী সুৰক্ষাৰ লগত জড়িত তথ্য সমূহ গুৰুত্ব সহকাৰে নল'লে। সেইয়া কেৱল ২০১৪ চনত TGB এ কলম্বীয়া আইন স্কুলৰ ৰিপৰ্ট দাঙি ধৰোতেহে উলাই পৰিল। আৰু বাসস্থান আৰু জীৱন-প্ৰণালীৰ বিভিন্ন অসুবিধা সমূহ ধৰা পৰিল। তথা একচন প্লান লোৱা হ'ল।
TGB এ কলম্বীয়া আইন স্কুলৰ ৰিপৰ্টএ অভিযোগকাৰীসকলৰ বিভিন্ন সমস্যাসমূহ দাঙি ধৰাত সফল হৈছে, কিন্তু CAO ৰ মতে, ক্লায়েণ্টৰ সুবিধা আৰু উন্নতি অনুসৰি একচন প্লানৰ কাৰ্য্যপন্থা সময়মতে কৰি উলিয়াই দিয়াটো সম্ভৱ নহ'ব।
CAO ৰ মতে,
IFC এ ক্লায়েণ্টৰ লগত মিলি বহনক্ষমতাৰ নীতিসমূহ ফলপ্ৰসূ কৰিবলৈ অসমৰ্থ হৈছে।

b. ক্ষতিপূৰণ ব্যৱস্থা;

অভিযোগকাৰীসকলৰ মতে তেওঁলোকে নূন্যতম ক্ষতিপূৰণ খিনিও নাপায়। IFC এ বহিৰাগত আইন বিশেষজ্ঞৰ পৰা এই ক্ষেত্ৰত পৰামৰ্শ লৈছে। অৱশ্যে, এই পৰামৰ্শ সেই সময়ত কাৰ্য্যৰত নহ'ল।
IFC এ এই বিষয়টো নিশ্চিত নহয় যে, ক্লায়েণ্টে তেওঁলোকৰ কৰ্মচাৰীৰ লগত তেওঁলোকৰ প্ৰাপ্য ধনৰ বিষয়ত সহজ-সৰল ভাষাত, তেওঁলোকৰ নিজা ভাষাত সুন্দৰ ভাৱে ভাঙনি কৰি বুজাই দিয়ে নে নিদিয়ে।

IFC এ এই বিষয়টোও নিশ্চিত নহয় যে, ক্লায়েণ্টে কৰ্মচাৰীৰ স্বাস্থ্য সুৰক্ষিত কৰি দৰিদ্ৰতা নিমূল কৰাৰ পৰিকল্পনাৰে নিয়োগ কৰা স্থায়ী আৰু অস্থায়ী কৰ্মচাৰীৰ দৰমহা আৰু কৰ্ম-পৰিৱেশ IFC ৰ চুক্তি অনুসৰি দিব পাৰিছেনে নাই।

c. সংগঠনৰ স্বাধীনতা আৰু তেওঁলোকৰ বিভিন্ন সমস্যাসমূহৰ লগত জড়িত বিষয়সমূহ;

অসমৰ চাহ বাগানত সংগঠনমূলক বিষয়সমূহ বিবাদাস্পদ। IFC ৰ পূৰ্বৱৰ্তী নিৰেশত ক্লায়েণ্টৰ এনে বিষয়ত উত্থাপন কৰা বিষয়সমূহ মেনেজমেণ্টত অন্তৰ্ভূক্তি নকৰিলে।

সাংগঠনিক দিশত বৰ্তি থকা সমস্যাসমূহ আৰু অভিযোগকাৰীসকলৰ বিভিন্ন দামদৰসমূহ, ৰাষ্ট্ৰীয় সংস্থা আৰু ক্লায়েণ্টৰ এই ক্ষেত্ৰত কৰা অনুমোদনসমূহৰ ক্ষেত্ৰত PS2 চৰ্তসমূহ পূৰণ হৈছেনে, এই ক্ষেত্ৰটো IFC নিশ্চিত নহয়।
PS1 আৰু PS2 ৰ বিভিন্ন সমস্যাসমূহ নিৰীক্ষণ আৰু পৰ্য্যবেক্ষণ কৰিবলৈ লোৱা IFC ৰ পদক্ষেপসমূহ অসম্পূৰ্ণ।
চাহ বাগানত উঠি অহা বিভিন্ন ধৰণৰ অভিযোগসমূহ বাৰাম্বাৰ অহাৰ পিছতো IFC এ ভালদৰে তথ্য সমূহ সংগ্ৰহ কৰি সমস্যা সমাধানৰ প্ৰয়াস নকৰিলে।
ক্লায়েণ্ট সমূহে এই ক্ষেত্ৰত বিফল হোৱা স্বত্বেও, IFC এ (২০০৯-২০১২) ৰ সময়চোৱাত হোৱা নিৰীক্ষণত এই বিষয়টি অৱহেলা কৰিলে।
২০১৩ ৰ পৰা IFC আৰু ক্লায়েণ্টে অভিযোগকাৰীৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰাৰ বিষয়ত আলোচনা কৰিছিল যদিও CAO ৰিপৰ্ট অনুসৰি IFC এ এই বিষয়ত নিশ্চিত নহয় যে, ক্লায়েণ্টে PS1/PS2 ৰ অভিযোগসমূহ সুকলমে সমাধান কৰিলেনে।

d. ক্লায়েন্টৰ চাহ বাগানৰ শিশু শ্ৰমিক নিযুক্তিত থকা সমস্যাসমূহ;

অসমৰ বিভিন্ন ক্ষেত্ৰত তথা চাহ বাগানত শিশু শ্ৰমিক নিযুক্ত কৰাটো প্ৰচলিত পৰম্পৰা। এই ক্ষেত্ৰত, IFC এ তেওঁলোকৰ ক্লায়েন্টৰ চাহ বাগানত নিযুক্ত বাল শ্ৰমিকৰ বিপদাপন্ন পৰিস্থিতিৰ ক্ষেত্ৰত তথ্য সঠিক ভাৱে সংগ্ৰহ নকৰিলে। একেধৰনেৰে CAO ৰিপৰ্ট দিয়াৰ পাছটো IFC এ এইয়া নিশ্চিত নহয় যে, তেওঁৰ ক্লায়েণ্ট সকলে বাল শ্ৰমিকৰ ক্ষেত্ৰত ল'ব লগা সাৱধানতা লৈছেনে নাই।

e. ক্লায়েণ্টে ব্যৱহাৰ কৰা কীট নাশকৰ ক্ষেত্ৰত থকা বিপদসমূহ;

IFC এ এই প্ৰকল্পত ল'ব লগীয়া কীট নাশক সমূহৰ ব্যৱহাৰ আৰু প্ৰয়োগৰ ক্ষেত্ৰত ল'ব লগা ব্যৱস্থাসমূহ ভালদৰে নোলোৱাৰ বাবে কৰ্মচাৰীসকলে অতি বিপদসংকুল ৰাসায়নিক দ্ৰব্যৰ সংস্পৰ্শলৈ আহিব লগা হৈছে। বিশেষকৈ, IFC চুক্তি অনুসৰি নিষিদ্ধ কৰা কীট-নাশকবোৰৰ বিষয়ে ক্লায়েন্টক সময়ত নজনালে। তদুপৰি IFC এ ক্লায়েন্টক এনে কীট-নাশকৰ ফলত উত্পন্ন হোৱা সমস্যা সমূহ কেনেদৰে সন্মুখীণ হ'ব লাগিব, সেই বিষয়ে সময় মতে উপদেশ নিদিলে।

অতি গুৰুত্বপূৰ্ণ ভাৱে IFC এ কীট-নাশকৰ ক্ষেত্ৰত বেআইনী নীতি সমূহৰ বিষয়ে সৱিশেষ নজনালে। ২০১০ চনৰ ৰ পৰা অংশদাৰী সকলে ব্যক্তিগত প্ৰতিৰক্ষামূলক সৰঞ্জামসমূহৰ (Personal protective equipment, PPE) অসম্পূৰ্ণ জ্ঞান সম্বন্ধীয় বিষয় সমূহ উঠাই আছে, যিটো ২০১১ আৰু ২০১৪ নিৰীক্ষাত প্ৰতিপন্ন হৈছে, তথাপিও IFC কোনো গুৰুত্ব নিদিলে।

f. ক্লায়েন্টৰ সুৰক্ষা সম্বন্ধীয় বিষয়ত থকা বিপদসমূহ;

CAO বিশ্লেষণ কৰা মতে, IFC ৰ পূৰ্ববৰ্তী নিৰেশৰ সমীক্ষাত ক্লায়েণ্টে সুৰক্ষা সম্বন্ধীয় বিষয়ত ল'ব লগা সাৱধানতাৰ তথ্য সমূহ অসম্পূৰ্ণ আছিল। বিশেষকৈ হিংসাত্মক ঘটনা সংঘটিত হৈ থকা ঠাই এখনত, ক্লায়েণ্টে সুৰক্ষা সম্বন্ধীয় বিষয়ত কেৱল চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ থকা বিষয়টি IFC এ গুৰুত্ব সহকাৰে নল'লে।

একেধৰেনেৰে, ক্লায়েণ্টৰ বাগানৰ ওচৰতে হিংসাত্মক ঘটনা সংঘটিত হৈ থকাৰ পিছটো, IFC এ ক্লায়েণ্ট যে, সুৰক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰদৰ্শক মানদণ্ড ৪ ৰ মতে কাৰ্য্য কৰিছেনে নাই, সেইয়া অৱজ্ঞা কৰিলে।

g. প্ৰকল্পৰ বাবে অৰ্থনৈতিক স্থানচ্যুত হোৱাৰ আৰোপ;

IFC এ এই ক্ষেত্ৰত নিশ্চিত নহয় যে, ক্লায়েণ্টসকলে কৰ্মচাৰীসকলৰ ব্যক্তিগত ভাৱে চলি থকা বা পৰম্পৰা ভাৱে চলাই নিয়া কৃষি-কাৰ্য্যসমূহৰ বিষয়ত PS 5 চৰ্তসমূহ মানি চলিছেনে নাই সেইয়া লক্ষ্য নকৰিলে।

h. প্ৰকল্পত প্ৰদৰ্শক মানদণ্ড ৭ (আদিবাসী মানুহ) প্ৰয়োগ;

CAO এ পোৱা মতে, IFC এ প্ৰকল্পত প্ৰদৰ্শক মানদণ্ড৭ (আদিবাসী মানুহ) প্ৰয়োগ হৈছেনে নাই সেইয়া নিশ্চিত নহয়।

i. শ্বেয়াৰ সম্বন্ধীয় প্ৰগামত প্ৰয়োজনীয় পৰামৰ্শ আৰু প্ৰকাশ;

এই বিষয়সমূহ গুৰুত্বপূৰ্ণ হয়, -(a) প্ৰকল্পত সৰহ সংখ্যক কৰ্মচাৰীৰ প্ৰয়োজন (b) শ্বেয়াৰ কিনিলে বিপদও থাকে। (c) চাহ কৰ্মচাৰীসকল বহু পিচপৰা আৰু বিপদাপন্ন
CAO প্ৰকাশকৰামতে-
IFC ৰ পূৰ্বৱৰ্তী নিৱেশৰ সমীক্ষাত অংশীদাৰীসকলৰ শ্বেয়াৰৰ লেন-দেনৰ ফলত কৰ্মচাৰীসকলৰ ওপৰত পৰিব পৰা সমস্যাসমূহৰ সৱিশেষ উল্লেখ নাছিল।
IFC প্ৰথম বিতৰণৰ ক্ষেত্ৰত বা সমীক্ষাৰ ক্ষেত্ৰত কোম্পানীসকলে কৰ্মচাৰীসকলৰ লগত এই প্ৰগামৰ বিষয়ে ফলপ্ৰসূ আলোচনা কৰিছে নাই, সেইয়া নিশ্চিত নহয়।
IFC এ কোম্পানীসকলে কৰ্মচাৰীসকলৰ লগত এই প্ৰগামৰ বিষয়ে ফলপ্ৰসূ আলোচনা কৰা নাই বুলি অভিযোগ তুলিলেও সেইয়া সমাধান কৰাত নিশ্চিত নহয়।
২০১৪ত IFC এ কৰ্মচাৰীসকলৰ অংশীদাৰীত্বৰ ওপৰত থকা অধিকাৰসমূহৰ বিষয়ত অংশগ্ৰহণ কৰা কাৰ্য্যৈ কৰ্মচাৰীসকলৰ অংশীদাৰীত্বৰ মূল্যৰ ওপৰত ধনাত্মক প্ৰভাৱ পেলাৱ। এই ক্ষেত্ৰত, PS1 প্ৰয়োজন সাপেক্ষে IFC এ ভুক্তভোগী কৰ্মচাৰীসকলৰ লগত আলোচনা কৰিবলৈ ক্লায়েন্টৰ লগত আলোচনা কৰাৰ দৰকাৰ নাই।

j. সাধাৰণভাৱে পৰামৰ্শ আৰু প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তা।

IFC এ প্ৰকল্পটিত PS1 পৰামৰ্শ আৰু প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তাসমূহ সঠিক ৰুপত প্ৰয়োগ হৈছে নে নাই সেইয়া নিশ্চিত নহয়।

বিশেষকৈ, IFC এ সেইয়া নিশ্চিত নহয় যে, ক্লায়েণ্টসকলে পৰিৱেশ আৰু সামাজিক সমীক্ষাৰ তথ্যসমূহ, একচন প্লান আৰু মনিটৰিং ৰিপৰ্টসমূহ কৰ্মচাৰীৰ সুবিধাৰ্থে সহজলভ্য কৰিছেনে নাই।

এইদৰে, IFC এইয়াও নিশ্চিত নহয় যে, পৰিৱেশ আৰু সামাজিক সমীক্ষাৰ তথ্যসমূহ, একচন প্লানসমূহ কৰ্মচাৰীৰ সুবিধাৰ্থে আৰু তেওঁলোকৰ লগত আলোচনা কৰি কৰিছেনে নাই।